# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-08-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো ব্যাপক উৎসাহ-উদ্দীপনাৰে আজি ৭৮ সংখ্যক স্বাধীনতা দিৱস উদযাপন কৰা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰি দিয়া ভাষণত কয় যে দেশৰ ৫ খন দ্ৰুতগতিত বিকশিত হোৱা ৰাজ্যৰ ভিতৰত অসম অন্যতম। দীৰ্ঘস্থায়ী বিকাশৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰতো অসম এখন আগশাৰীৰ ৰাজ্য হিচাপে পৰিগণিত হৈছে বুলি তেওঁ কয়। ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীগৰাকীয়ে দেশৰ বাবে প্ৰাণ আহুতি দিয়া প্ৰতিগৰাকী ব্যক্তিলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ভাষণত মুখ্যমন্ত্ৰীয়ে বিগত ১০ বছৰত ৰাজ্যখনৰ ৮০ লাখতকৈ অধিক লোক দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে আৰু ২০৪৭ চনৰ ভিতৰত অসম এখন পূৰ্ণ বিকশিত ৰাজ্যত পৰিণত হ'ব বুলি প্ৰকাশ কৰে।

ইয়াৰ আগেয়ে মুখ্যমন্ত্ৰীয়ে শ্ৰদ্ধাঞ্জলি কাননত অমৰ শ্বহীদ আৰু স্বাধীনতা সংগ্ৰামীসকলৰ স্মৃতিত শ্ৰদ্ধা তৰ্পন কৰে। অনুষ্ঠানত বীৰ-বীৰাংগনাসকলৰ সাহস আৰু ত্যাগৰ গাঁথা যুগ-যুগলৈ স্মৰণীয় হৈ থাকিব আৰু প্ৰতিগৰাকী ভাৰতীয়ক দেশপ্ৰেমৰ বাণীৰে উদ্বুদ্ধ হ'বলৈ অনুপ্ৰেৰণা যোগাব বুলি তেওঁ মন্তব্য কৰে।

মুখ্যমন্ত্ৰীয়ে আজি কামৰূপ জিলাৰ অন্তৰ্গত ভূমিহীন খিলঞ্জীয়া নাগৰিকক ভূমি পট্টা বিতৰণ কাৰ্যসূচীত অংশ লয়। তেওঁ কয় যে চৰকাৰৰ লক্ষ্য হৈছে এটা বিশেষ জনগাঁথনিগত পৰিৱৰ্তনৰ বাবে ভাবুকিৰ সন্মুখীন হোৱা অসমৰ খিলঞ্জীয়া লোকসকলৰ পৰিচয় সুৰক্ষিত কৰা। এইক্ষেত্ৰত চৰকাৰে প্ৰতিষ্ঠিত স্থানসমূহৰ ভূমি হস্তান্তৰ প্ৰতিহত কৰিবলৈ, অনুসূচিত জনজাতি তথা অনুসূচিত শ্ৰেণীৰ ভূমি সংৰক্ষণ কৰিবলৈ আৰু মাইক্ৰ' ট্ৰাইবেল বেল্টৰ ব্যৱস্থা ৰূপায়ণ কৰিবলৈ এখন শক্তিশালী আৰু কঠোৰ আইন আনিবলৈ প্ৰয়াস কৰি আছে।

ৰাজ্যৰ আন আন জিলাতো স্বাধীনতা দিৱস উপলক্ষে ৰাজ্য চৰকাৰৰ মন্ত্ৰীসকলৰ লগতে স্বায়ত্তশাসিত পৰিষদসমূহৰ মুখ্য কাৰ্যবাহী সদস্যসকলে বিভিন্ন ঠাইত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে বঙাইগাঁৱত, অতুল বৰাই নগাঁৱত, উৰ্খাও গৌড়া ব্ৰহ্মই দৰঙত, চন্দ্ৰমোহন পাটোৱাৰীয়ে কামৰূপত, কেশৱ মহন্তই হোজাইত, ডাঃ ৰণোজ পেগুৱে লখিমপুৰত, অশোক সিংহলে শোণিতপুৰত, যোগেন মহনে যোৰহাটত, সঞ্জয় কিষাণে তিনিচুকীয়াত, অজন্তা নেওগে গোলাঘাটত, পীযুষ হাজৰিকাই গোৱালপাৰাত, বিমল বৰাই ডিব্ৰুগড়ত, নন্দিতা গাৰ্লোছাই শিলচৰত, জয়ন্ত মল্লবৰুৱাই নলবাৰীত পতাকা উত্তোলন কৰে। আনহাতে, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কোকৰাঝাৰত, কাৰ্বিআংলং স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাঙে ডিফুত, উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোছাই হাফলঙত, বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে ওদালগুৰিত আৰু অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনে চৰাইদেউত পতাকা উত্তোলন কৰে। কৰিমগঞ্জ জিলাত জিলাখনৰ আয়ুক্ত মৃদুল যাদৱে স্বাধীনতা দিৱসৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। স্বাধীনতা দিৱসৰ দিনটোত ধেমাজি জিলাৰ আয়ুক্ত অংকুৰ ভৰালীয়ে অসামৰিক চিকিৎসালয়ত 'নৱজাতকৰ আধাৰ পঞ্জীয়ন' কক্ষৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়কে ধৰি জিলা উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অতিৰিক্ত আয়ুক্ত আদি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। তিনিচুকীয়া, ডিব্ৰুগড় আৰু ধেমাজি জিলাৰ স্বাধীনতা দিৱস উদযাপন সন্দৰ্ভত আমাৰ সংবাদদাতা মনোৰঞ্জন মৰাণে এইদৰে কয় –

(বাইট)

০০০০০০০

তিনিচুকীয়া অসামৰিক চিকিৎসালয় আৰু তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় হাস্পতালত জন্ম হোৱা নৱজাতকৰ প্ৰমাণ-পত্ৰ তাৎক্ষণিকভাৱে প্ৰদান কৰাৰ ব্যৱস্থা আজি শ্ৰম আৰু শ্ৰমিক কল্যাণ মন্ত্ৰী সঞ্জয় কিষাণে শুভাৰম্ভ কৰে। এই অনুসৰি দুয়োখন চিকিৎসালয়ত জন্ম লাভ কৰা নৱজাতকৰ মাতৃক চিকিৎসালয়ৰ পৰা যাবলৈ দিয়াৰ সময়তে এই প্ৰমাণ-পত্ৰ প্ৰদান কৰা হ'ব। চিকিৎসালয়খনত নৱজাতকক আধাৰ কাৰ্ড প্ৰদানৰ ব্যৱস্থাও মন্ত্ৰীগৰাকীয়ে মুকলি কৰে। এই উপলক্ষে দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এনে অভিনৱ পদক্ষেপ গ্ৰহণ কৰাৰ বাবে জিলা প্ৰশাসনক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ কয় যে সম্প্ৰতি জন্মৰ প্ৰমাণ-পত্ৰ আৰু আধাৰ কাৰ্ড এগৰাকী ব্যক্তিৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ নথি। তেওঁ আজি তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৬টা নৱজাতকৰ অভিভাৱকক জন্মৰ প্ৰমাণ-পত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰে।

ooooooo

উগ্ৰপন্থী সংগঠন আলফা স্বাধীনে আজি গুৱাহাটী মহানগৰীৰ আঠটা স্থানৰ লগতে ৰাজ্যখনৰ ২০ টাৰো অধিক স্থানত বোমা সংস্থাপন কৰা বুলি এটা বিবৃতিযোগে দাবী কৰিছিল। এই অনুসৰি আৰক্ষীয়ে গুৱাহাটীৰ দুটা স্থানত বোমা সদৃশ সামগ্ৰী উদ্ধাৰ কৰাৰ উপৰি ৰাজ্যৰ অন্য কেইবাটাও স্থানতো বোমা সদৃশ সামগ্ৰী উদ্ধাৰ কৰিছে। শিৱসাগৰ জিলাতো দুটা স্থানত বোমা বুলি সন্দেহ কৰা সামগ্ৰী উদ্ধাৰ হৈছে। আৰক্ষীয়ে বোমা বিশেষজ্ঞৰ পৰ্যবেক্ষণৰ পাছতহে এইক্ষেত্ৰত নিশ্চিত হ'ব বুলি জানিবলৈ দিছে। অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে এইক্ষেত্ৰত কয় যে একেধৰণৰ বোমাসদৃশ সামগ্ৰী নলবাৰী, লখিমপুৰ আৰু নগাঁৱতো উদ্ধাৰ হৈছে আৰু সুৰক্ষিতভাৱে আঁতৰ কৰা হৈছে। এই সামগ্ৰী ফৰেণচিক পৰীক্ষাৰ বাবে পঠিওৱা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উগ্ৰপন্থীৰ এই কাৰ্যকলাপৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ পৰিৱেশ ধ্বংস নকৰিবলৈ আলফাৰ সেনাপ্ৰধান পৰেশ বৰুৱাক আহ্বান জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অসমে বহু বছৰৰ মূৰত বৰ্তমান উন্নয়নৰ পথত গতি কৰিবলৈ সমৰ্থ হৈছে আৰু এই ক্ষেত্ৰত ৰাজ্যত সুস্থ বিনিয়োগৰ পৰিৱেশ বৰ্তাই ৰখাটো অত্যন্ত জৰুৰী।

ooooooo

**সমাপ্ত**